কৰা (Planning), সংগঠিত কৰা (Organising), পৰিচালনা কৰা (Supervising), নির্দেশনা প্রদান কৰা (Directing), সহযোগিতা স্থাপন কৰা (Coordinating), প্রতিবেদন প্রস্তুত কৰা (Reporting) আৰু বাজেট প্রস্তুত কৰা (Budgeting) ৰ দায়িত্ব পালন কৰে। এই দায়িত্বসমূহক চমুকৈ POSDCORB হিচাপে জনা যায়।

২ নং প্রশ্নৰ উত্তৰ ঃ শুদ্ধ।

৩ নং প্রশ্নৰ উত্তৰ ঃ

(ক) জ্ঞানবিদসকলৰ সপক্ষে কোৱাসকলৰ মতে এটা সর্বভাৰতীয় ব্যৱস্থাহে ভাৰতৰ যুক্তৰাষ্ট্রীয় ব্যৱস্থাৰ বাবে উপযোগী। স্থানীয় সমস্যা আৰু বৈষম্যক স্পর্শ নকৰা কেন্দ্রীয় চৰকাৰৰ আঁচনিসমূহৰ বিপক্ষে প্রায়ে ৰাজ্যসমূহে অসন্তুষ্টি ব্যক্ত কৰা দেখা যায়। ভাৰতৰ দৰে এক বৃহৎ যুক্তৰাষ্ট্রীয় ব্যৱস্থা বিফল হিচাপে পৰিগণিত হ'ব যদিহে কেন্দ্রৰ উপদেষ্টাসকল তেওঁলোকৰ দপ্তৰৰ অন্তর্গত দেশৰ যিকোনো স্থানৰ বিষয়বোৰৰ বিষয়ে ভালদৰে অৱগত নহয়। দেশৰ যিকোনো স্থানত কাম কৰাৰ অভিজ্ঞতা থকা এগৰাকী জ্ঞানবিদ এই সম্পর্কীয় ব্যাপক অভিজ্ঞতাৰ অধিকাৰী হয়। সেয়েহে তেওঁ সহজে আৰু সঠিকভাৱে জনসাধাৰণৰ প্রয়োজন আৰু সমস্যাসমূহ অনুধাৱন কৰিব পাৰিব লাগিব।

(খ) জ্ঞানবিদ এগৰাকী ৰাজহুৱা খণ্ডৰ প্রতিষ্ঠানত সহজে পৰিচালকৰ দায়িত্ব পালন কৰিব পাৰে। ৰাজহুৱা প্রতিষ্ঠানৰ পৰিচালকসকলে কিছু প্রশাসনীয় দায়িত্বও পালন কৰিব লাগে আৰু এই দিশত জ্ঞানবিদসকল যথেষ্ট সক্ষম।

৪ নং প্রশ্নৰ উত্তৰ ঃ

(ক) জ্ঞান বিশেষজ্ঞসকলৰ সপক্ষে যুক্তি প্রদর্শন কৰা সকলে কৈছে যে, যিহেতু জ্ঞান বিশেষজ্ঞসকলক নির্দিষ্ট বিষয়টোৰ গভীৰলৈ প্রৱেশ কৰাৰ বাবে প্রশিক্ষণ দিয়াৰ লগতে তেওঁলোক কোনো বিষয়ৰ বিশ্লেষণৰ বিষয়ে অধিক জ্ঞাত হয়, সেয়েহে আঁচনি প্রস্তুতৰ সময়ত ক্ষমতাকেন্দ্রিক বিন্যাসত নিম্ন স্তৰত ৰাখিব নালাগে। তেওঁৰ দক্ষতা আৰু কাৰিকৰী কুশলতাৰ ভিত্তিত তেওঁক দায়িত্ব অর্পণ কৰিব লাগে।

(খ) যিকোনো অজ্ঞ ৰাজনীতিৰ বাবে এজন জ্ঞান বিশেষজ্ঞ অধিক ফলপ্রসূ হিচাপে পৰিগণিত হয়। তেওঁ প্রতিটো ক্ষেত্রতে এজন সমর্থনকাৰীৰ ভূমিকা পালন নকৰিব পাৰে; কিন্তু তেওঁৰ দক্ষতা আৰু পেচাদাৰী প্রশিক্ষণৰ বাবে তেওঁ ৰাজনৈতিক নেতাক পতিয়ন নিয়াই যিকোনো কার্য সঠিক ৰূপত সম্পাদন কৰিব পাৰে। এগৰাকী অজ্ঞ আৰু এগৰাকী দক্ষলোকৰ এনে সহযোগিতামূলক আচৰণে গণতান্ত্রিক ব্যৱস্থাক সফল কৰি তুলিব পাৰে।



৩.৮ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ স্বাধীনতাৰ পিছত ব্ৰিটিছৰ সময়ৰ ভাৰতীয় অসামৰিক সেৱা (ICS) ক ভাৰতীয় প্ৰশাসনিক সেৱা (IAS) নামেৰে নামাকৰণ কৰা হৈছিল। (সত্য/অসত্য)

প্ৰশ্ন ২ ঃ ..... ত জড়িত যুৱকসকল ব্ৰিটিছ ঔপনিৱেশিক শাসনৰ প্ৰতিটো দিশৰ ৰক্ষক হৈ পৰিছিল। (খালী ঠাই পূৰণ কৰক)।

খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ জ্ঞানবিদ বনাম জ্ঞান বিশেষজ্ঞৰ বিতৰ্কত ব্যৱহৃত 'বহু বিষয়ৰ বিশেষজ্ঞ' আৰু 'জ্ঞান বিশেষজ্ঞ' অভিধা দুটাৰ ব্যাখ্যা আগবঢ়াওক।

প্ৰশ্ন ২ ঃ বহল দৃষ্টিভংগীৰ অধিকাৰী হোৱা বাবে জ্ঞানবিদসকলে প্ৰশাসনিক সেৱাত উচ্চ দায়িত্ব লাভ কৰা উচিত — এই দৃষ্টিভংগীক আপুনি সমৰ্থন জনায় নে?

প্ৰশ্ন ৩ ঃ চৰকাৰে পালন কৰা দায়িত্বৰ প্ৰকৃতিৰ প্ৰতি লক্ষ্য ৰাখি প্ৰশাসন ব্যৱস্থাত জ্ঞানবিদ আমোলাৰ প্ৰয়োজন অনুভৱ কৰেনে? উত্তৰৰ সপক্ষে যুক্তি দাঙি ধৰক।

প্ৰশ্ন ৪ ঃ কল্যাণকামী প্ৰশাসন ব্যৱস্থাত জ্ঞান বিশেষজ্ঞসকলে ভূমিকা পালন কৰিব পাৰে নে?

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ 'জ্ঞানবিদ' আৰু 'জ্ঞান বিশেষজ্ঞ' অভিধা দুটাৰ ব্যাখ্যা কৰক। প্ৰশাসন ব্যৱস্থাত জ্ঞানবিদৰ প্ৰয়োজনীয়তাৰ সপক্ষে যুক্তি দাঙি ধৰক।

প্ৰশ্ন ২ ঃ প্ৰশাসন ব্যৱস্থাত জ্ঞান বিশেষজ্ঞসকলৰ প্ৰয়োজনীয়তাৰ সপক্ষে কি কি যুক্তি পোৱা যায়?

প্ৰশ্ন ৩ ঃ প্ৰশাসনিক সংস্কাৰ আয়োগ (১৯৬৮) ৰ প্ৰতিবেদনৰ ভিত্তিত জ্ঞানবিদ বনাম জ্ঞান বিশেষজ্ঞৰ বিতৰ্কটো ব্যাখ্যা কৰক।

প্ৰশ্ন ৪ ঃ ভাৰতীয় প্ৰশাসন ব্যৱস্থাত জ্ঞানবিদ বনাম জ্ঞান বিশেষজ্ঞৰ তৰ্কৰ সূত্ৰপাত কিদৰে হৈছিল আলোচনা কৰক।

*** ***** ***